জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

। ৩৪৫ সংখ্যা, ৭ শাওণ, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 345। DIBRUGARH, THURSDAY, JULY 24, 2025। পৃষ্ঠা ১৬ (Pages 1

প্ৰকল্প ব্যয়
৩০
টি টকা
৪ জুলাই ২০

## কানৈ মহাবিদ্যালয়ত স্ব-অৰ্থায়িত পাঠ্যক্ৰম আৰম্ভ



জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ২৩ জুলাই ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ স্ব-অৰ্থায়িত পাঠ্যক্ৰম ক্ৰমে সমাজতত্ত্ব, মনোবিজ্ঞান, শিক্ষাতত্ত্ব, বি চি এ, জৈৱ প্ৰযুক্তি, সাংবাদিকতা আৰু গণসংযোগ বিভাগৰ শুভাৰম্ভণী অনুষ্ঠান যোৱা ২১ জুলাইত সম্পন্ন হয়। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠানটি উদ্বোধন কৰে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। অধ্যক্ষই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক সময়ক অধিক গুৰুত্ব দি জীৱনটোক সফলতাৰ দিশত আগুৱাই নিবলৈ আহ্বান জনায়। মনোবিজ্ঞান বিভাগৰ মুৰব্বী উপাসনা দত্তই আঁত ধৰা অনুষ্ঠানটিত পৰীক্ষা নিয়ন্ত্ৰক ডঃ মৃদুল শৰ্মাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষা নীতিৰ পাঠ্যক্ৰম কিদৰে পঢ়িলে লাভৱান হ'ব, সেই বিষয়ে তেওঁলোকক অৱগত কৰে। অনুষ্ঠানটিত স্ব-অৰ্থায়িত পাঠ্যক্ৰমৰ অধ্যাপক-অধ্যাপিকাকে ধৰি শতাধিক নৱাগত ছাত্ৰ-ছাত্ৰীৰ লগতে ভালেসংখ্যক অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ স্মৃতি বিজড়িত বিভিন্ন তথ্যচিত্ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ আগত প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা ডঃ মনীষা ডেকাই।

## নগাঁও ডাক সংমণ্ড
## উন্নত প্ৰযুক্তিৰ ডিজিটে

জিলাৰ বাতৰি দিওঁতা

নগাঁও, ২৩ জুলাই ঃ মধ্য অসমৰ পাঁচখনকৈ জিলা স
ডাক সংমণ্ডলত কালি অত্যাধুনিক প্ৰযুক্তি সেৱা আৰ
ইণ্ডিয়া কাৰ্যক্ৰমৰ অংশ হিচাপে পূৰ্বে টাটা কনছালটে
টি চি এছৰ সহযোগত পৰিচালিত আই টি ১.০ৰ পৰিৱ
অধীনত ডাক বিভাগে প্ৰস্তুত কৰিছে নিজস্ব ছফট্‌ৱেৰ
ইয়াৰ জৰিয়তে এতিয়াৰেপৰা ডাক বিভাগৰ সকলো
ডিজিটেল পদ্ধতিত সম্পন্ন হ'ব। ডাক বিভাগৰ অধী
এক্সিলেন্স ইন পোষ্টেল টেকন'লজী নামৰ প্ৰযুক্তি প্ৰ
উন্নত প্ৰযুক্তিসম্পন্ন ছফটৱেৰটো প্ৰস্তুত কৰিছে। কা
সংমণ্ডলত ফিটা কাটি এই ডিজিটেল সেৱাৰ আনুষ্ঠানি
সংমণ্ডলটোৰ ডাক অধীক্ষক দিলীপ কুমাৰ মণ্ড
সংমণ্ডলটোৰ সহকাৰী ডাক অধীক্ষক হিফজুৰ ৰহমান
বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু একাংশ গ্ৰাহক উ
বিভাগটোৰ শীৰ্ষ বিষয়াদ্বয়ে জানিবলৈ দিয়া মতে, দ্ৰ
সুৰক্ষিত সেৱা প্ৰদানৰ লক্ষ্যৰে দেশৰ আন আন প্ৰান্ত
সংমণ্ডলতো ডিজিটেল সেৱা আৰম্ভ হৈছে। বিশেষকৈ
এতিয়াৰেপৰা 'ছাৰ্ভাৰ এৰৰ' নাইবা 'লিংকবিহীন' আদি স
নহ'ব। অনলাইনত হ'ব সকলো ধৰণৰ লেনদেন।
সকলো ধৰণৰ চিঠি-পত্ৰ প্ৰেৰণ কৰাৰ সুবিধা লাভ কৰি
কৰিলে অনলাইন আবেদনেৰে গ্ৰাহকে আধা বাটৰপৰ
পাৰিব সকলোধৰণৰ চিঠিপত্ৰ বা অন্যান্য সামগ্ৰী। উ
সংমণ্ডলৰ অধীনত ৪৬২টা শাখা ডাকঘৰ, ৫৭টা উপ
প্ৰধান ডাকঘৰ আৰু পাঁচটা উপ